**১০.২৮ ঃ ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সাফল্যৰ খতিয়ান (Achivement of five year Planing in India) ঃ** ভাৰতবৰ্ষত পোনপ্ৰথমবাৰৰ বাবে পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হয় ১৯৫০-৫১ চনত। তেতিয়াৰে পৰা ২০১২-১৩ বৰ্ষত আৰম্ভ হোৱা দ্বাদশ পৰিকল্পনালৈ এই সুদীৰ্ঘ ৬২ বছৰীয়া ইতিহাসত নিৰ্ধাৰিত লক্ষ্যত কেনেদৰে উপকৃত হৈছে তাৰ খতিয়ান তলত দিয়া ধৰণে দেখুৱাব পাৰি—

**১। বৰ্ধিত জাতীয় আয় (Increased National Income) ঃ** জাতীয় আয়ৰ পৰিমাণ, পৰিকল্পনাৰ সময়ছোৱাত বৃদ্ধি হোৱাটোকে আৰ্থিক উন্নয়ন বৰ্ধিত হোৱা সূচায়। ব্ৰিটিছ ঔপনিবেশিক কালছোৱাত ভাৰতবৰ্ষৰ জাতীয় আয়ৰ হাৰ বছৰি বৃদ্ধিৰ পৰিমাণ ০.৫ শতাংশ আছিল। পৰিকল্পনাৰ সময়ছোৱাত এই হাৰ বহু পৰিমাণে বৃদ্ধি হয়। প্ৰথম পৰিকল্পনাৰ আৰম্ভণি অৱস্থাত জাতীয় আয় ২.১ ধাৰ্য কৰা হৈছিল। দেখা গৈছিল যে পৰিকল্পনাৰ শেষত ইয়াৰ পৰিমাণ বৃদ্ধি হৈ ৪.৪ শতাংশ হৈছিল। প্ৰত্যেক পঞ্চবাৰ্ষিক বা তাতকৈ ওপৰত ধাৰ্য কৰা হৈছিল। দ্বিতীয় পৰিকল্পনাৰ সময়ৰ পৰা নৱম পৰিকল্পনাৰ সময়লৈ এই হাৰেই চলি থাকিল। দশম পৰিকল্পনাত এই হাৰ ৭.৮ শতাংশ আৰু একাদশ পৰিকল্পনাত বছৰি ৮.২ শতাংশ হাৰত বৃদ্ধি হয়। দ্বাদশ পৰিকল্পনাত জাতীয় আয় বৃদ্ধিৰ হাৰ বছৰি ৯ শতাংশ হাৰত হব বুলি ঠাৱৰ কৰা হৈছে।

**২। জনমূৰি আয়ৰ পৰিমাণ বৃদ্ধি (Increase in per capital Income) ঃ** জনমূৰি আয় বৃদ্ধিৰ ওপৰত জাতীয় আয়ৰ বৃদ্ধি নিৰ্ভৰশীল হয়। স্বাধীনতা লাভ কৰাৰ আগতে ভাৰতবৰ্ষৰ অৰ্থনীতি এক স্থবিৰ আৰু অৱৰুদ্ধ অৰ্থনীতি সদৃশ আছিল। গতিকে জনমূৰি আয়ৰ হাৰ নিম্ন আছিল। পৰিকল্পনাৰ সময়ছোৱাৰ ভিতৰত অৰ্থাৎ (১৯৫০-৫১ চনৰ পৰা ২০১২-১৩ চনলৈ) ভাৰতবৰ্ষৰ জনমূৰি আয় স্থিৰ মূল্যায়ন হাৰত ২.৯ৰ পৰা ৩ শতাংশ হাৰত বৃদ্ধি পায়। অৱশ্যে প্ৰথম পৰিকল্পনাত জনমূৰি আয়ৰ পৰিমাণ ২.৬ শতাংশ আৰু দ্বিতীয় পৰিকল্পনাত এই ২.০ শতাংশহে হয়। দশম পৰিকল্পনাত এই আয় ৬.১ শতাংশ বৃদ্ধি পায়। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ তুলনাত জনসংখ্যা বৃদ্ধিৰ হাৰ ক্ৰমে কম হৈ আহিছে।

**৩। মূলধন গঠনৰ হাৰ বৰ্ধিতকৰণ (Increase Rate of capital Formation) ঃ** অৰ্থনীতি এখনত মূলধন গঠনৰ পৰিমাণ নিৰ্ভৰ কৰে সঞ্চয় আৰু বিনিয়োগৰ ওপৰত। পৰিকল্পনাহীন সময়ছোৱাত ভাৰতবৰ্ষত মূলধন গঠনৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। সঞ্চয় আৰু বিনিয়োগৰ পৰিমাণো যথেষ্ট বৃদ্ধি পাইছে।

১৯৫০-৫১ চনত সঞ্চয়ৰ হাৰ আছিল মুঠ জাতীয় আয়ৰ ৮.৬ শতাংশ। ১৯৫৬ চনত হয়গৈ ১২.৩ শতাংশ। ২০০৬-০৭ চনত সঞ্চয়ৰ হাৰ বৃদ্ধি হৈ ৩৪.৭ শতাংশ হয়। একাদশ পৰিকল্পনাত (প্ৰথম বছৰত) সঞ্চয়ৰ হাৰ ৩৬.৯ শতাংশ হয়।

প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰিকল্পনাত মুঠ বিনিয়োগৰ হাৰ জাতীয় আয়ৰ ক্ৰমে ১০ শতাংশ, ১২.৭ শতাংশ আৰু ১৩.৯ শতাংশ হয়। ২০০৬ চনত বিনিয়োগৰ পৰিমাণ মুঠ জাতীয় আয়ৰ ৩৫.৭ শতাংশ আৰু একাদশ পৰিকল্পনাত (প্ৰথম বছৰ ২০০৭-০৮ চন) এই হাৰ ৩৮.১ শতাংশলৈ বৃদ্ধি পায়।

**৪। কৃষিখণ্ডৰ গাঁথনিত পৰিৱৰ্তন (Changing structure of Agriculture) ঃ** পৰিকল্পনা গ্ৰহণ কৰাৰ পিছত ভাৰতবৰ্ষৰ কৃষিখণ্ডত দুটা গুৰুত্বপূৰ্ণ গাঁথনিগত পৰিৱৰ্তন সাধন হয়। সেয়া হ'ল—

(ক) কৃষিখণ্ডত ভূমি সংস্কাৰ নীতিৰ পৰিৱৰ্তন।

(খ) সেউজ বিপ্লৱৰ প্ৰচলন।

(ক) ভূমি সংস্কাৰ ব্যৱস্থাৰ দ্বাৰা জমিদাৰী প্ৰথা উচ্ছেদ কৰা হয়। কৃষক আৰু ভূমিৰ মালিকৰ মাজত কৰা হয়। কৃষক আৰু ভূমৰ মালিকৰ মাজত থকা মধ্যস্থতা ব্যৱস্থাৰ বিলোপ সাধন কৰি নাঙল যাৰ মাটি তাৰ স্ল'গানেৰে প্ৰজাস্বত্ব ব্যৱস্থা প্ৰৱৰ্তনৰ দিহা কৰা হয়। ইয়াৰ বাহিৰেও খাজনাৰ সৰ্বোচ্চ হাৰ নিৰ্ধাৰণ, ভূমিৰ খণ্ডিতকৰণ ৰোধ অতিৰিক্ত ভূমিকা Celling

Scanned with CamScanner

ৰ জৰিয়তে অধিগ্ৰহণ, অতিৰিক্ত কৃষিভূমি নিম্ন আৰু উপান্ত কৃষকক বিতৰণ আদিত ব্যৱস্থা কৰা হয়। ফলত কিছু পৰিমাণে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকল উপকৃত হৈ কৃষি উৎপাদন বৰ্দ্ধিতকৰণত সহায়তা প্ৰদান কৰা দেখা গৈছে।

(খ) সেউজ বিপ্লৱ (Green Revolution)ৰ দ্বাৰা ১৯৬৬ চনত কৃষিৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰা হয়। কৃষি আধুনিকীকৰণ, সাৰ প্ৰয়োগ, যন্ত্ৰৰ ব্যৱহাৰ, কৃষি ফাৰ্মিং ব্যৱস্থাৰ প্ৰয়োগ, কৃষি বিপণন আদি সেউজ বিপ্লৱৰেই ফল। পৰিকল্পনাৰ সময়ছোৱাত ভাৰতবৰ্ষত বছৰি গড়ে ২.৮ শতাংশ হাৰত উৎপাদন বৃদ্ধি সম্ভৱ হয়। সন্তোষৰ কথা যে বৰ্তমান কৃষি শক্তিৰ দ্বাৰা চলিত ভাৰতবৰ্ষই কৃষি উৎপাদনৰ জৰিয়তে উৎপাদন কৰা খাদ্যশস্য উৎপাদনত আত্মনিৰ্ভৰশীলতাৰ অৰ্জনত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

**(৫) উদ্যোগ খণ্ডৰ পৰিৱৰ্তিত ৰূপ (Changing sneering Industry sector) :** ভাৰতবৰ্ষৰ অৰ্থনীতিত পৰিকল্পনাধীন সময়ত, উদ্যোগ খণ্ডৰ গুণগত আৰু পৰিমাণগত পৰিৱৰ্তন যথেষ্ট পৰিমাণে আছে। এই সময়ছোৱাত মূলধনী সামগ্ৰীৰ উৎপাদন যথেষ্ট বৃদ্ধি হৈছে। লো, তীখা, ৰাসায়নিক সাৰ, যন্ত্ৰপাতি, কয়লা উৎপাদন আদি যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে। ইয়াৰ বাহিৰেও ভোগ্য বস্তু উৎপাদনৰ ক্ষেত্ৰতো দেশখনে আত্মনিৰ্ভৰশীলতা অৰ্জন কৰাত সফলতা লাভ কৰিছে। পৃথিৱীৰ ভিতৰত দশম ঔদ্যোগিক ৰাষ্ট্ৰ হিচাপে দেশখনে স্থান দখল কৰিছে। পৰিকল্পনাৰ কালছোৱাত ঔদ্যোগিত উৎপাদনৰ হাৰ গড়ে বছৰি ৬.৫ শতাংশ হাৰত দেখা গৈছিল। দশম পৰিকল্পনাত এই হাৰ ৮.৩ শতাংশ আছিল। একাদশ পৰিকল্পনাত ঔদ্যোগিক উৎপাদনৰ হাৰ ৯.৩ শতাংশ হয়।

**৬) নিয়োগ ক্ষেত্ৰৰ সুবিধা (Employment opportunity) :** ভাৰতবৰ্ষৰ প্ৰতিটো পঞ্চবাৰ্ষিক পৰিকল্পনাত নিয়োগ ক্ষেত্ৰত সংস্থাপন বৃদ্ধিৰ আঁচনি অবিৰত হাৰত চলি আছে। নিয়োগৰ বাবে প্ৰচলিত বিভিন্ন আঁচনি যেনে— PMGY, SRSRY, NREGA, MNERAGA, PMGSY, GRAM SADAK YOJANA, PMEGP আদি গ্ৰহণ কৰাৰ লগতে কুটিৰ উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ জৰিয়তে নিয়োগ বা সংস্থাপনৰ দিহা কৰা হৈছে। প্ৰথম পৰিকল্পনাত নিয়োগৰ সুবিধা ৭০ লাখ লোকলৈ আগবঢ়োৱা হৈছিল। দ্বিতীয় পৰিকল্পনাত ১ কোটি, তৃতীয় পৰিকল্পনাত ১কোটি ৪৫ লাখ, চতুৰ্থ পৰিকল্পনাত ১ কোটি ৮০ লাখ লোকৰ বাবে কৰ্মসংস্থাপন সৃষ্টি কৰা হৈছিল। একাদশ পৰিকল্পনাত নিয়োগ বা সংস্থাপনৰ বাবে সাত কোটি মানুহক কৰ্মসংস্থাপনৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। নিয়োগৰ ক্ষেত্ৰত এনে বৰ্ধিত হাৰ আৰ্থিক উন্নয়নৰ বাবে এক উল্লেখযোগ্য পদক্ষেপ।

**৭) বৰ্ধিত আন্তঃগাঁথনি (Developmental Infrastructure) :** অৰ্থনৈতিক আৰু সামাজিক একে আষাৰত আন্তঃগাঁথনি হিচাপে নামকৰণ কৰা হয়। অৰ্থনৈতিক আন্তঃগাঁথনি হ'ল— যাতায়াত, পৰিবহণ, জলসিঞ্চন, শক্তি, বেংকিং, বীমা ইত্যাদি। পৰিকল্পনাৰ সময়ছোৱাত ৰে'ল, মটৰ, ৰাস্তা, শক্তি উৎপাদন, বেংক স্থাপন, জলসিঞ্চন, পোষ্ট অফিচ স্থাপন, বাণিজ্য কেন্দ্ৰ, টেলিফোন এক্সেঞ্জ স্থাপন আদিৰ ব্যাপক সম্প্ৰসাৰণৰ ফলত দেশখনৰ আন্তঃগাঁথনিৰ এক গুণগত পৰিৱৰ্তন চকুত লগা ধৰণে প্ৰসাৰিত হৈছে।

সামাজিক আন্তঃগাঁথনিৰ ভিতৰত শিক্ষাৰ সম্প্ৰসাৰণ, স্বাস্থ্যসেৱা আঁচনি, হস্পিতাল নিৰ্মাণ, স্কুল, কলেজ, বিশ্ববিদ্যালয় আদি নিৰ্মাণ যথেষ্ট পৰিমাণে সম্প্ৰসাৰিত হৈছে। স্ত্ৰীশিক্ষাৰ প্ৰচাৰ, সৰ্বশিক্ষা অভিযান, সাক্ষৰতা অভিযান আদিৰ সম্প্ৰসাৰণৰ ফলত বৰ্তমান ভাৰতবৰ্ষত শিক্ষিতৰ হাৰ প্ৰায় ৭০% লৈ বৃদ্ধি হৈছে। ২০১৭ চনৰ ভিতৰত শিক্ষাৰ হাৰ ৮০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। স্বাস্থ্য সেৱাৰ বাবেও বিভিন্ন পৰিকল্পনাত যথোচিত ধনৰ আবণ্টন হোৱা বুলি ক'ব পাৰি। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য সেৱা অভিযানে গ্ৰামাঞ্চলত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰা বুলি কব পাৰি। পৰিকল্পনাসমূহত চিকিৎসা সেৱাৰ সুবিধা, হস্পিতাল স্থাপন, মেডিকেল কলেজ স্থাপন, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন,

Scanned with CamScanner

(Promotion of Social Justice)

(Increase in International Trade)

10.11 (Failure of five year economic planning in India)

(Low rate of economic growth)

(Growing level of Unemployment)

(Scarcity of Infrastructure)

(Unequal distribution System)

(Rise in Price)

(Failure of Public Sector)

Scanned with CamScanner

সুস্থ পৰিচালনাৰ অভাৱৰ কাৰণে ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহ এটা এটাকৈ লোকচান খাই শেষত বহুতো এনে উদ্যোগ পানীৰ দৰত ব্যক্তিগত খণ্ডত বিনিয়োগ কৰিব লগা হৈছিল। বহুত উদ্যোগ বন্ধ কৰি দিবলগীয়াও হৈছিল। কিছুমান উদ্যোগ দেওলীয়া ঘোষণা কৰি কম মূলাত চৰকাৰে ব্যক্তিগত খণ্ডত বিক্ৰী কৰি দিব লগাও হৈছিল।

**৭। দুৰ্বল ভেটি (Weak Base) :** পঞ্চবাৰ্ষিক পৰিকল্পনাই তিনি কুৰি চাৰি বছৰ অতিক্ৰম কৰাৰ পিছতো আৰ্থ-সামাজিক গাঁথনিৰ ভেটি আজি পৰ্যন্ত সফল নহ'ল। দেশখনৰ ৬৮ শতাংশ কৃষিজীৱী লোকৰ জীৱন ধাৰণৰ মান আজিও উন্নীত নহ'ল। কৃষি আধুনিকীকৰণ নহ'ল। বজাৰ বিপণন ব্যৱস্থাও তথৈবচ। প্ৰকৃতি নিৰ্ভৰ কৃষিব্যৱস্থা আজি কুৰি শতিকাতো বিদ্যমান। ফলত কৃষি উৎপাদন কমি গৈছে। ইয়াৰ উপৰি দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰী আৰু সম্পদৰ অপব্যৱহাৰৰ বাবে পৰিকল্পনাসমূহে গ্ৰাম্য উন্নয়ন, কৃষি উন্নয়ন আৰু সামাজিক কল্যাণ সাধনত ব্যৰ্থ হৈছে।

**৮। বৰ্দ্ধিত জনসংখ্যা (Increasing Population) :** জনসংখ্যাৰ বৰ্দ্ধিত হাৰ ৰোধ কৰাৰ লগতে জন্মহাৰ বোধ কৰাত আমাৰ দেশৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহ সমূলি ব্যৰ্থ হৈছে। ইয়াৰ ফলত দেশখনৰ প্ৰায়বোৰ সম্পদ দেশখনৰ জনসাধাৰণৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ বাবেই খৰচ হৈ যায়। গতিকে তেনেই সামান্য পৰিমাণৰ ধনহে পৰিকল্পনা আৰু উন্নয়নৰ কামত খৰচ কৰা হয়। ফলস্বৰূপে প্ৰতিটো পৰিকল্পনাত মূল উদ্দেশ্য তথা লক্ষ্য সাধনত আতৰি আহিবলৈ বাধ্য হয়। গতিকে পৰিকল্পনাসমূহ আকাংক্ষিত ধৰণে কৃতকাৰ্যতা লাভত ব্যৰ্থ হৈছে।

**৯। বৈদেশিক লেনদেনৰ সমতাৰ ঘাটি অৱস্থা (Deficit in balance of Trade) :** প্ৰত্যেক পঞ্চবাৰ্ষিক পৰিকল্পনাৰ এক অগ্ৰাধিকাৰ প্ৰাপ্ত উদ্দেশ্য আছিল আৰ্থিক স্বাৱলম্বিতা বা আত্মনিৰ্ভৰশীলতা অৰ্জন কৰা। কিন্তু দেখা গৈছে যে ক্ৰমবৰ্ধমান আৰু অবিৰত বৈদেশিক বাণিজ্যৰ ঘাটিৰ ফলত এনে আত্মনিৰ্ভৰশীলতা অৰ্জনৰ পথ প্ৰশস্ত হ'ব পৰা নাই। এইটো স্পষ্টভাৱে দেখা গৈছে। প্ৰথম পৰিকল্পনাত আমাৰ দেশখনত বৈদেশিক বাণিজ্যৰ ঘাটি আছিল ১৭৪ কোটি টকা। সপ্তম পৰিকল্পনাত ই হয় ৭,১৩১ কোটি টকা। একাদশ পৰিকল্পনাত এই ঘাটিয়ে আকাশচুম্বী হৈ ৪৮২৯২৪ কোটি টকা হয়।

পৰিশেষত আমি এটা কথাই ক'ব পাৰো যে দেশে স্বাধীনতা লাভ কৰাৰ ৬৭ বছৰ পিছতো দেশখনৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিবৰ্তনকামিতা সাধন হ'ল যদিও দেশখনে বহুতো সমস্যা এতিয়াও সমাধান কৰিবলৈ সক্ষম হোৱা নাই। দেশখনৰ দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা আজিও সমাধান নহ'ল। বৈদেশিক লেনদেনৰ পৰিশোধৰ ঘাটি ক্ৰমে বৃদ্ধিহে হৈ গৈ আছে। অৰ্থনৈতিক স্বাৱলম্বিতা এতিয়াও সুদূৰপৰাহত হৈয়ে আছে। আঞ্চলিক অভাৰসাম্যতা নোহোৱা হোৱা নাই। কৃষিক্ষেত্ৰত বৰ্তমানে প্ৰকৃতি নিৰ্ভৰশীলতাই হৈ আছে। স্বাস্থ্য আৰু শিক্ষাতো ১০০ শতাংশ কৃতকাৰ্যতা লাভ হোৱা নাই। জাতীয় আৰু জনমূৰি আয় বৃদ্ধি নহ'ল। উদ্যোগৰ ক্ষেত্ৰতো আশা কৰা ধৰণে উন্নয়ন নহ'ল। ৰপ্তানি বাণিজ্যত ঘাটি দেখা দিলে। আইন-শৃংখলা আৰু সুষম উন্নয়ন সোপান হৈয়ে ৰ'ল। মুঠতে ক'বলৈ গ'লে ১৯৫০ চনৰ ভাৰতীয় অৰ্থনীতিত এক ঋণাত্মক প্ৰতিচ্ছবি জনগণৰ মনত অনুভূত হ'ল।

Scanned with CamScanner